# যোগাযোগ

**JOGAJOG**
**February: 2019**

**Vol : 11 No:05 Sl No: 124**

**Monthly Newsletter of Assam Association, Delhi**



*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com



Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811


*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com




## অসম এছোচিয়েছন, দিল্লীৰ বাৰ্ষিক ক্ৰীড়া দিৱস তথা মাঘ বিহুৰ সফল উদ্‌যাপন

ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ, দিল্লীৰ মাজ মজিয়া চাণক্যপুৰীৰ বিনয় মাৰ্গৰ কেন্দ্ৰীয় সচিৱালয় খেল পথাৰত যোৱা ২০ জানুৱাৰী ২০১৯ ৰ দিনা দিনটো জোৰা কাৰ্য্যসূচীৰে অসম




এছোচিয়েছন, দিল্লীৰ বহু প্ৰত্যাশিত বাৰ্ষিক ক্ৰীড়া দিৱস আৰু মাঘ বিহু উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ বিভিন্ন ৰাইজে এই উদযাপনৰ জৰিয়তে এটি স্মৰণীয় দেওবাৰ, একেলগে মেজি জ্বলাই, মাহ-কড়াই, প্ৰসাদ, দৈ-চিৰা-পিঠা খাই, খেলা-ধূলাত অংশ গ্ৰহণ কৰি আৰু ভোজভাত খাই আনন্দেৰে কটায়। উল্লেখযোগ্য যে পূৰ্বৰ পৰম্পৰাৰে এছোচিয়েছনৰ কৰ্মকৰ্তাসকলে আগদিনা উৰুকাও পালন কৰে।

অসম এছোচিয়েছন, দিল্লীৰ পতাকা উত্তোলনেৰে সেইদিনাৰ অনুষ্ঠান আৰম্ভ হয়।

পতাকা উত্তোলন কৰে এছোচিয়েছনৰ মাননীয় সভাপতি অচ্যুত কুমাৰ শইকীয়াই। সমবেত ৰাইজে পতাকাৰ তলত সমস্বৰে অসমৰ জাতীয় সংগীত গায়। ইয়াৰ পিছতে মেজি প্ৰজ্জ্বলন, মাহ-প্ৰসাদ, দৈ-চিৰা আদিৰ পৰ্ব আৰম্ভ হয়। সমান্তৰালকৈ বিভিন্ন



খেল-ধেমালি আৰু প্ৰতিযোগিতাসমূহ (এই প্ৰতিযোগিতাসমূহৰ বিজেতাসকলৰ নাম শেষ পৃষ্ঠাত দিয়া হৈছে) আৰম্ভ হয়। ইয়াৰ মাজতে এছোচিয়েছনৰ আলোচনী 'সাময়িক' উন্মোচন কৰা হয়। সকলোৱে শেষত একেলগে ভোগালীৰ ব্যঞ্জনেৰে সৈতে জুতিৰে এসাজ খাই ঘৰমুৱা হয়।

অসম এছোচিয়েছন, দিল্লীৰ কাৰ্য্য নিৰ্বাহক সদস্যসকলৰ যৌথ প্ৰচেষ্টা তথা- Indian Oil Corporation Ltd, Oil India Ltd, LIC, আদি প্ৰতিষ্ঠানকে ধৰি



বিভিন্নজনৰ আৰ্থিক অনুদানে এছোচিয়েছনৰ বাৰ্ষিক ক্ৰীড়া দিৱস তথা মাঘ বিহু উদযাপন সাফল্যমণ্ডিত কৰি তোলাত বিশেষভাৱে সহায় কৰিলে। এছোচিয়েছনে এই প্ৰতিষ্ঠান আৰু ব্যক্তিসকলক কৃতজ্ঞতা জনাইছে। এছোচিয়েছনে উপস্থিত সকলো ৰাইজকে এই উদযাপন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে ধন্যবাদ জনাই ভৱিষ্যতেও সহায় সহযোগ কামনা কৰে।

# Results of the Competitions

**RACE BOYS (Upto 6 years)**
1st : Prayan Saikia
2nd: Arindam Gogoi
3rd: Aryan Hazarika
4th: Medant Hazarika
Consolation: Ayush Sharma

**RACE BOYS (7-10 years)**
1st : Shreyans Gogoi
2nd: Abhigyan Bora
3rd: Shubham Sharma
4th: Dishan Das

**RACE BOYS (11-14 Years)**
1st : Arush Saikia
2nd: Samyak Prasanna
3rd: Sampreet Goswami
4th: Unnabh Das

**RACE GIRLS (Upto 6 years)**
1st : Prisha Raghuvanshi
2nd: Abhilasha Saikia
3rd: Ishani Kakati
4th: Tanya Das

**RACE GIRLS (7-10 years)**
1st : Akshara Saha
2nd: Kankana Gogoi
3rd: Tanvi Sharma
4th: Anangsha Agarwal

**RACE GIRLS (11-14 years)**
1st : Drishti Kakati
2nd: Anwesha Saikia
3rd: Latika Raghuvanshi

**RACE Ladies (Below 50)**
1st : Pallavi Sharma
2nd: Anamika Kumar
3rd: Dr. Chinmayee Kalita
4th: Vandana Kalita

**SENIOR CITIZEN WALK (Gents)**
1st : H. M. Hazarika
2nd: Harekrishna Das
3rd: Putul Saikia
4th: Jaganath Bora

**SENIOR CITIZEN WALK (Ladies)**
1st : Deepali Sharma
2nd: Mari Hazarika
3rd: Madhumaya Deka
4th: Rim Pathok

**MUSICAL CHAIR**
1st : Anita Das
2nd: Uttara Das
3rd: Gayatree Gogoi
4th: Madhumaya Deka
5th: Manideepa Bhuyan

**PAINTING (0-6 years)**
1st : Tapasha
2nd: Arindam
3rd: Tanisha
4th: Advika
5th: Medant

**PAINTING (7-10 years)**
1st : Kankona
2nd: Uddipan
3rd: Abhigyan
4th: Dishan
5th: Nysha

**Football**
Winner: General Secretary XI
Runners-Up: President XI

**Vollyball**
Winner: President VI (Captain:H.K. Das)
Runners-Up: Secretary VI (Captain: Dr.Banajit Mazumdar)

# দ্বাৰকাত ভোগালী বিহু

দ্বাৰকাস্থিত প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেন্টত আনকালৰ দৰেই এইবাৰো প্ৰাগজ্যোতিষপুৰৰ বাসিন্দাসকল আৰু অসমীয়া কৃষ্টি কেন্দ্ৰ, দ্বাৰকাৰ উদ্যোগত যোৱা ১৩ আৰু ১৪ জানুৱাৰীত দুদিনীয়াকৈ উলহ-মালহেৰে ভোগালী বিহু উদযাপন কৰা হয়। ১৩ তাৰিখে সন্ধিয়া ভোগালীৰ উৰুকাত দুশৰো অধিক লোকে আহি অংশগ্ৰহণ কৰে। মেজিৰ জুই আৰু উৰুকাৰ ভোজ-ভাতৰ উপৰি বিহুগীত আৰু নাচত পৰিৱেশটো উছৱমুখৰ হৈ উঠে। উপস্থিত অনা-অসমীয়াসকলে বিহুৰ আনন্দ লোৱাৰ লগতে তেওঁলোকৰ পৰম্পৰাগত লোহৰীও পালন কৰাত এক বৰ্ণাঢ্য পৰিৱেশৰ সৃষ্টি হয়। পিচদিনা নিচেই পুৱাতে মেজি জ্বলাই প্ৰসাদ, কাঠআলু ভজা, পিঠাপনা আৰু জলপান খাই সকলোৱে ভোগালীৰ আনন্দ উপভোগ কৰে।

# অসম এছোচিয়েছন, দিল্লীৰ কাৰ্য্যনিৰ্বাহকৰ বৈঠক

যোৱা ৩ ফেব্ৰুৱাৰী দেওবাৰে অসম এছোচিয়েছন, দিল্লীৰ এখন কাৰ্য্যনিৰ্বাহকৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আসন্ন ৰঙালী বিহু উদ্‌যাপনৰ সন্দৰ্ভত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা চলোৱা হয়।

ইয়াৰ আগতে, অলপতে দেহাৱসান ঘটা অসম এছোচিয়েছন, দিল্লীৰ তিনিগৰাকী ঘনিষ্ঠ সদস্য ড. জিতেন্দ্ৰ কুমাৰ বৰঠাকুৰ, জি.এল. আগৰৱাল আৰু গুণ বৰুৱাৰ আত্মাৰ সদ্‌গতিৰ উদ্দেশ্যে প্ৰাৰ্থনা জনোৱা হয়। তিনিগৰাকী সদস্যৰ শোকসন্তপ্ত পৰিয়াললৈ সমৱেদনা জ্ঞাপন কৰি শোকপ্ৰস্তাৱো প্ৰেৰণ কৰা হয়।

**অসম এছোচিয়েছন, দিল্লীৰ দ্বাৰা**
**অহা ২১ এপ্ৰিল দেওবাৰে ৰঙালী বিহু উদযাপন কৰা হ'ব।**

# দিল্লীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শাখা গঠন

যোৱা ২৭ অক্টোবৰ ২০১৮ তাৰিখে দিল্লী মহানগৰী (এন.চি.আৰ.) দ্বাৰকা প্ৰথমিক শাখা নামেৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি প্ৰাথমিক শাখা গঠিত হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণ সদস্য তথা শৰণাচাৰ্য্য কাছাৰৰ সুহাগমণি বৰ্মণৰ অনুপ্ৰেৰণাতে এই শাখা গঠন সম্ভৱপৰ হৈ উঠে।

ইতিমধ্যে এই প্ৰাথমিকৰ ২২ ঘৰ গৃহস্থীৰ ৬৭ জন সংগীৰ সহযোগত নতুন দিল্লীৰ দ্বাৰকাৰ নিত্য বৰদলৈক সভাপতি আৰু শৰ্মীষ্ঠা বৰ্মণ চৌধুৰীক সম্পাদিকাৰ দায়িত্ব দিয়া হৈছে।

আনহাতে, যোৱা ৯ ডিচেম্বৰ ২০১৮ তাৰিখে সংগঠনৰ সুবিধাৰ্থে দিল্লী মহানগৰী (এন.চি.আৰ.) নামেৰে এক জিলা শাখাও গঠিত হয়। ইয়াৰ সভাপতিৰ দ্বায়িত্ব দিয়া হৈছে দীপক বৰাক আৰু সম্পাদিকা হৈছে শৰ্মীষ্ঠা বৰ্মাণ চৌধুৰী। জিলা শাখাৰ অধীনত শিশু আই মাতৃ কল্যাণ, সাহিত্য আৰু সংস্কৃতি নামৰ তিনিখন উপসমিতিও গঠন কৰা হয়।

ইতিমধ্যে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকা আৰু প্ৰধান সম্পাদক প্ৰফুল্লচন্দ্ৰ বৰাৰ পৰামৰ্শমতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কাচাৰ জিলাৰ শৰণাচাৰ্য্য সুহাগমণি বৰ্মণৰ দ্বাৰা শৰণ কাৰ্য্য পৰিচালনা কৰা হয়। দিল্লীবাসী আন বহুতো অসমীয়া ৰাইজে এই সংগঠনত সংগী হ'বলৈ ইতিমধ্যে আগ্ৰহ প্ৰকাশ কৰা দেখা গৈছে। কোনো সদাশয় ব্যক্তিয়ে ইয়াৰ সংগী হ'ব বিচাৰিলে শৰ্মীষ্ঠা বৰ্মণ চৌধুৰীক (ফোনঃ ৮৫৮৮৮০৬৭৯২) নাইবা দীপক কুমাৰ বৰাক (ফোনঃ৯৯৯০৯৬২৯৯২) যোগাযোগ কৰিব পাৰে।

(বাতৰি শৰ্মীষ্ঠা বৰ্মণ চৌধুৰীৰ সৌজন্যত)

# গুণ বৰুৱাৰ বিয়োগ



অসম এছোচিয়েছন, দিল্লীৰ এজন বয়োজ্যেষ্ঠ আজীৱন সদস্য গুণ বৰুৱাৰ যোৱা ২৮ জানুৱাৰীৰ দিনা পুৱা দ্বাৰকাস্থিত নিজা বাসগৃহত বিয়োগ ঘটে। যোৱা কিছুদিন ধৰি তেখেত অসুস্থ আছিল। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৯ বছৰ। গুণ বৰুৱাদেৱ এসময়ত অসম এছোচিয়েছন, দিল্লীৰ এজন অগ্ৰণী কাৰ্যকতা আছিল। তেখেত একেধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক আৰু সৰ্বোপৰি এজন সুদক্ষ অভিনেতা আছিল। অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত মঞ্চস্থ কেবাখনো নাটকত কৰা সৱল অভিনয়ৰ বাবে গুণ বৰুৱাক তেখেতৰ গুণমুগ্ধসকলে আজিও শ্ৰদ্ধাৰে স্মৰণ কৰে।

মূলতঃ অসমৰ মৰিগাঁও জিলাৰ জাগীৰ বাসিন্দা গুণ বৰুৱাই দিল্লীলৈ আহি আকাশবাণীৰ অসমীয়া বাতৰি পৰিৱেশকৰূপে ১৯৬৪ চনৰেপৰা সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি অৱশেষত ১৯৯৮ চনত অৱসৰ লৈ দ্বাৰকাত প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেন্টত স্থায়ীভাৱে বাস কৰিবলৈ লয়। তেখেতে দুই পুত্ৰ, বোৱাৰী আৰু নাতিৰে ভৰা এখন সংসাৰ এৰি থৈ গৈছে। দ্বাৰকাৰ মঙ্গলাপুৰী শ্মশানত তেখেতৰ গুণমুগ্ধসকলৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

**PACKERS & MOVERS**

**ASSAM DOOARS LOGISTICS**

**Guwahati : Goenka Building, Kedar Road, Guwahati - 781001**
**Phone : 9864047677, 9864042023**
**Delhi : Chaman Plaza, Opp : ISKCON, East of Kalash,**
**New Delhi – 110065**
**Tel : 011-49077315, 9212248342, 9811348342**
**Concern Person : Pawan Agarwal**
**Email : assamdooarslogistics@gmail.com**
**(Service all Over North East)**

অহা ইংৰাজী ১০ ফেব্ৰুৱাৰী দেওবাৰে, যোৱা কেইবছৰৰ দৰে এইবাৰো দিল্লীবাসী অসমীয়া মহিলাসকলে শ্ৰীমন্ত শঙ্কৰদেৱ ভৱন প্ৰাঙ্গনত, বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰী সৰস্বতী আইৰ পূজাৰ আয়োজন কৰিছে। ৰাতিপুৱা ১০ বজাৰ পৰা পূজা আৰম্ভ হ'ব। পূজালৈ আপোনাক / আপোনালোকক সাদৰেৰে নিমন্ত্ৰণ জনোৱা হ'ল।



যোগাযোগ কৰিব পাৰে ঃ

ড.ৰীণা শৰ্মাঃ ৯৩১২২৮৭৯১৫

মধুমায়া ডেকা ঃ ৯৮৭১৪৬৬১৩২

**MATRIMONIAL**

Alliance invited for an Assamese girl ( 28years) presently working as Asstt. Marketing Manager in International School of Business & Media, Pune.

Pls contact with confidence at

mail id- dipalikharghoria_59@rediffmail.com,

mobile - 9954414250

Adv. 2/3

# APWA, নয়দাৰ 'প্ৰতিষ্ঠা দিৱস' (১৬ ফেব্ৰুৱাৰী,২০১৯)



GALPAKATHA

গল্প কথা

নয়দাত
(১৬ ফেব্ৰুৱাৰী,২০১৯)

আমি জনাবলৈ পাই সুখী হৈছোঁ যে Assam People Welfare Association, Noida (APWA), ৰ 'প্ৰতিষ্ঠা দিৱস' উপলক্ষে পোন প্ৰথমবাৰৰ বাবে চলিত ফেব্ৰুৱাৰী মাহৰ ১৬ তাৰিখ শনিবাৰে, নয়দা ছেক্টৰ ১২২ স্থিত RWA কমিউনিটি চেন্টাৰ চৌহদত এটি বৰ্ণাঢ্য অনুষ্ঠান আৰু সন্মিলিত নৈশ ভোজৰ আয়োজন কৰা হৈছে। অনুষ্ঠানটিৰ শোভা বঢ়াবলৈ অসমৰ সংবাদ জগতৰ এজন আগশাৰীৰ সংবাদকৰ্মী পৰাগমণি আদিত্যদেৱ, বিশিষ্ট নিবন্ধকাৰ, গল্পকাৰ তথা কবি অতনু ভট্টাচাৰ্য্যদেৱ আৰু জনপ্ৰিয় সুকণ্ঠী গায়িকা মিতালী দেক বিশিষ্ট অতিথিৰূপে আমন্ত্ৰণ কৰা হৈছে। অতনু ভট্টাচাৰ্য্য আৰু মিতালী দেৰ যুটীয়া প্ৰচেষ্টাত গঢ় লৈ উঠা 'গল্প কথা' অসমত এতিয়া অতি জনপ্ৰিয় অনুষ্ঠান ।কথা, সুৰ আৰু সংগীতৰ মাধ্যমেৰে গল্প কথনক এক নতুন মাত্ৰা প্ৰদান কৰিছে এই 'গল্প কথা'ই। APWA, নয়দাৰ উদ্যোগত 'প্ৰতিষ্ঠা দিৱস' উপলক্ষে উক্ত দিনত এটি 'গল্প কথা'ৰো আয়োজন কৰা হৈছে। ইয়াৰ দ্বাৰা আমি বিনম্ৰে আশা কৰিছোঁ বৃহত্তৰ এন.চি.আৰ আৰু দিল্লীবাসী সকলো অসমীয়া আৰু উত্তৰ পূৰ্বাঞ্চলী ৰাইজ যেন অনুষ্ঠানটিত উপস্থিত থাকি ইয়াৰ শোভা বঢ়োৱাৰ লগতে আমাক উৎসাহিত কৰে। অনুষ্ঠানটি সম্পৰ্কে বিতং খবৰৰ বাবে সকলোৰে সুবিধা হোৱাকৈ তলৰ দূৰভাষ নম্বৰ দুটি দিয়া হ'ল।

Akash Choudhary (9818375571)
Ranju Sarma (9599962004)

# ‘সাময়িক’ৰ বাবে লিখা বিচৰা হৈছে

অসম এছোচিয়েছন, দিল্লী’ৰ মুখপত্ৰ ‘সাময়িক’ৰ ৰঙালী বিহু ২০১৯ সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা আদি বিচৰা হৈছে। লেখাসমূহ তলত দিয়া ধৰণে হ’ব লাগিব ঃ-

(১) এটা প্ৰতিলিপি নিজৰ হাতত ৰাখিহে লিখাসমূহ পঠাব। অপ্ৰকাশিত লিখাসমূহ ঘূৰাই পঠোৱা নহ’ব।


(২) বিতৰ্কিত বিষয় অথবা কোনো ব্যক্তি বা সম্প্ৰদায়ক হেয় কৰি লিখা কোনো ধৰণৰ ৰচনা প্ৰকাশ কৰা নহ’ব।

(৩) লিখাসমূহ যথাসম্ভৱ চুটি হোৱাটো বাঞ্চনীয়। দুটা শব্দ আৰু শাৰীৰ মাজত যথেষ্ট ঠাই এৰিব লাগিব।

(৪) অতি পৰিষ্কাৰকৈ ফুলস্কেপ (A-4 Size) কাগজৰ এপিঠিত লিখিব। চাৰিওফালে কমেও আঢ়ৈ চে.মি. কৈ ঠাই এৰিব।

(৫) লেখকৰ ফোন নম্বৰ, ঠিকনা তথা একপি পাচপ’ৰ্ট চাইজৰ ফটোসহ লিখাসমূহ অহা ৩০ মাৰ্চ, ২০১৯ৰ ভিতৰত পোৱাকৈ তলৰ ঠিকনাত পঠাব, বা তলৰ ই-মেইল ঠিকনালৈ টাইপ কৰি বা স্কেন কৰি পঠালেও হ’ব ঃ-

Manik Chandra Dash,
Editor, SAMAYIK,
c/o Dr. Rampal singh, H No. 112 (2nd Floor),
Gali No. 4, Opposit ICICI Bank ATM,IG
Main IGNOU Road, New Delhi-110068
Ph No: 9810704392
E-mail : manikdash@yahoo.co.in,
angshu4@yahoo.com


ACE GROUP
fulfilling ACEpirations
www.acegroupindia.com
ACE ASPIRE
2/3 BHK APARTMENTS
GREATER NOIDA (WEST)
ACE golfshire
SECTOR-150, NOIDA
READY-TO-MOVE-IN HOMES IN NOIDA Extn.
Actual Picture
SPECIAL TOWER FOR MEMBERS OF ASSAM ASSOCIATION, NEW DELHI
GST FREE
FREE Parking
FREE Club Membership
FREE Floor PLC
FREE Power Backup
FREE EDC/IDC
Actual Picture
ACE GROUP
POSSESSION GURANTEED IN 24 HOURS
For details contact:
Dipankar Phukan - +91 9899836902









**For details contact:**

**Dipankar Phukan - +91 9899836902**